**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-10-2024
**Time :** 1715 Hrs.

***Assamese Evening Bulletin***

ৰাজ্যৰ কৃষিখণ্ডৰ উন্নয়ন তথা কৃষকসকলৰ সহায়ক হোৱাকৈ চৰকাৰে আজি কৃষকসকলৰ মাজত বিভিন্ন কৃষি যন্ত্রপাতি আৰু ভূমি স্বাস্থ্য-পত্র বিতৰণৰ লগতে কৃষি জ্ঞান কেন্দ্র মুকলি কৰে। এই উপলক্ষে গুৱাহাটীৰ শ্রীমন্ত শংকৰদেৱ কলাক্ষেত্রত আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্রী হিমন্ত বিশ্ব শৰ্মাৰ লগতে কৃষিমন্ত্রী অতুল বৰাই ২৫০টা কৃষক গোটৰ লগতে দুহেজাৰ ৪৯০ গৰাকী কৃষকলৈ ট্রেক্টৰ, পাৱাৰ টিলাৰ, কঠীয়া ৰোপণ যন্ত্রকে ধৰি বিভিন্ন যন্ত্রপাতি বিতৰণ কৰে। অনুষ্ঠানত কৃষকসকলৰ মাজত ৪ লাখতকৈও অধিক ভূমি স্বাস্থ্য-পত্র বিতৰণ কৰাৰ লগতে ৯৬টা কৃষি জ্ঞান কেন্দ্রও মুকলি কৰা হয়। ইয়াৰ লগতে ৯৩ টা কৃষিৰ উন্নয়ন বিষয়াৰ কাৰ্যালয় মুকলি কৰা হয়। অনুষ্ঠানত ভাষণ প্রসংগত মুখ্যমন্ত্রী হিমন্ত বিশ্ব শৰ্মাই কৃষি বিভাগৰ শেহতীয়া পদক্ষেপ সন্দৰ্ভত উল্লেখ কৰে।

(ভইচ কাষ্ট)

এতিয়ালৈ ২৩ লাখৰো অধিক কৃষকক ভূমি স্বাস্থ্য পত্র যোগান ধৰা হৈছে। ৰাজ্য চৰকাৰে ২০২৪-২৫ বৰ্ষত ১০ লাখ ভূমি স্বাস্থ্য পত্র কৃষকৰ মাজত বিতৰণ কৰাৰ লক্ষ্য হাতত লৈছে। শীঘ্রে বাকী থকা ৬ লাখ কৃষককো ভূমি স্বাস্থ্য পত্র বিতৰণ কৰা হ'ব বুলি কৃষি মন্ত্রীগৰাকীয়ে প্রকাশ কৰে।

০০০০০০০

মুখ্যমন্ত্রী হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষা মন্ত্রী ডা০ ৰণোজ পেগুৰ উপস্থিতিত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাল প্রেক্ষাগৃহত আজি ৩৮৫ গৰাকী প্রাৰ্থীক নিযুক্তিপত্র প্রদান কৰা হয়। ইয়াৰে শিক্ষা বিভাগত ২৮৪ গৰাকী আৰু স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগত ১০১ গৰাকী প্রাৰ্থীক নিযুক্তি দিয়া হৈছে। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰৰ এক লাখ নিযুক্তিৰ প্রতিশ্রুতি অনুসৰি যোৱা ২৬ ছেপ্তেম্বৰ পৰ্যন্ত এক লাখ ২৪ হাজাৰ ৬৪৫ গৰাকী প্রাৰ্থীক নিযুক্তি পত্র প্রদান কৰা হৈছে। আজিৰ এই নিযুক্তিৰ পাছতে মুঠ নিযুক্তিৰ সংখ্যা ১ লাখ ২৫ হাজাৰ ৩০লৈ বৃদ্ধি পালে। অনুষ্ঠানৰ পাছত সাংবাদিকৰে সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্রীগৰাকীয়ে কয় যে, এতিয়াও প্রায় ৪০ হাজাৰ পদৰ বাবে নিযুক্তি প্রক্রিয়া চলি আছে। ২০২৬ চনৰ ভিতৰত এক লাখ ৭০ হাজাৰ নিযুক্তি সম্পন্ন কৰাৰ লক্ষ্যৰে কাম কৰি থকা বুলিও তেওঁ লগতে প্রকাশ কৰে। বৰ্তমানলৈকে সম্পন্ন হোৱা এক লাখতকৈও অধিক নিযুক্তি সন্দৰ্ভত কোনো ধৰণৰ অনিয়মৰ অভিযোগ উত্থাপন হোৱা নাই বুলিও মুখ্যমন্ত্রী শৰ্মাই মন্তব্য কৰে। আনহাতে শিক্ষামন্ত্রী ডাঃ ৰণোজ পেগুৱে সামাজিক মাধ্যমযোগে আজিৰ নিযুক্তি প্রদান অনুষ্ঠানৰ সন্দৰ্ভত কয় যে, ৰাজ্য চৰকাৰ জনসাধাৰণৰ আস্থা আৰু বিশ্বাসৰ মূল্য দিয়াৰ বাবে প্রতিশ্রুতিবদ্ধ আৰু ১ লাখ নিযুক্তি অতিক্রম কৰাটোৱে এই কথাকেই প্রমাণ কৰিছে।

০০০০০০০

শাৰদীয় দুৰ্গা পূজা উপলক্ষে গুৱাহাটী পৌৰ নিগমে বিগত বৰ্ষৰ দৰে এইবাৰো পূজা সমিতিসমূহৰ মাজত স্বচ্ছতা প্রতিযোগিতাৰ আয়োজন কৰিছে। গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াই আজি এখন

সংবাদমেলযোগে দুৰ্গা পূজাৰ পৰা কালী পূজালৈকে স্বচ্ছতা বজাই ৰখা পূজা সমিতিসমূহক প্ৰথম, দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰ প্ৰদানৰ কথা ঘোষণা কৰে। এই অনুসৰি প্ৰথম পুৰস্কাৰপ্ৰাপ্ত ২৫ খন পূজা সমিতিক ১০ হাজাৰ টকাকৈ, দ্বিতীয় পুৰস্কাৰপ্ৰাপ্ত ৫০ খন পূজা সমিতিক ৭ হাজাৰ টকাকৈ আৰু তৃতীয় পুৰস্কাৰপ্ৰাপ্ত ১০০ খন পূজা সমিতিক ৫ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব। এই প্ৰতিযোগিতাৰ বাবে গুৱাহাটী পৌৰ নিগমে এখন প্ৰ-পত্ৰ যুগুত কৰি উলিয়াইছে বুলিও শ্ৰী শৰণীয়াই প্ৰকাশ কৰে।

ইয়াৰ উপৰি পেলনীয়া সামগ্ৰী তথা জাৱৰ আদি সংগ্ৰহৰ ক্ষেত্ৰত বিশেষ পদক্ষেপ গ্ৰহণ কৰা বেচৰকাৰী সংস্থাসমূহৰ মাজতো প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ বিষয়ে তেওঁ জানিবলৈ দিয়ে। তেওঁ কয় যে, লগতে পৰিষ্কাৰ-পৰিচ্ছন্নতা বজাই ৰখাৰ ক্ষেত্ৰত ভূমিকা লোৱা পাৰিষদসমূহৰ সংশ্লিষ্ট ৱাৰ্ডৰ উন্নয়নৰ বাবেও বিশেষ পুঁজি আগবঢ়োৱা হ'ব। দুৰ্গা পূজাৰ মণ্ডপসমূহত **আমাৰ গুৱাহাটী, দায়িত্বও আমাৰ** শীৰ্ষক শ্লোগান লগোৱাৰ ব্যৱস্থা কৰিব বুলিও মেয়ৰগৰাকীয়ে উল্লেখ কৰে।

০০০০০০০

**পথ সুৰক্ষা জীৱন ৰক্ষা** শ্ল'গানেৰে ৰাজ্য চৰকাৰৰ পৰিবহণ বিভাগে আজিৰ পৰা ১৩ অক্টোবৰলৈ ৰাজ্যিক পথ সুৰক্ষা সপ্তাহ পালন কৰিছে। মন্ত্ৰী কেশৱ মহন্তই অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত আয়োজিত পথ সুৰক্ষা সপ্তাহৰ সজাগতামূলক বাইক সমদল মুকলি কৰে। উদ্বোধনী অনুষ্ঠানত অংশ লৈ দুৰ্ঘটনা ৰোধ কৰাৰ বাবে যান-বাহন আইন মানি চলিবলৈ সকলোৰে প্ৰতি তেওঁ আহ্বান জনাইছে। সকলো চালকক বাহনৰ গতিৰ প্ৰতি লক্ষ্য ৰখাৰ লগতে যান-বাহন আইন মানি চলা, সুৰক্ষাৰ বাবে ছিটবেল্ট তথা হেলমেট পৰিধান কৰা আৰু সুৰাপান কৰি গাড়ী নচলাবলৈ পৰিবহণ বিভাগে আহ্বান জনাইছে।

০০০০০০০

**সমাপ্ত**